NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 4-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে সন্ত্ৰাসবাদৰ কোনো ৰূপকে ন্যায় সংগত বুলি ক'ব পৰা নাযায়।

২। নীতি আয়োগে সমগ্ৰ দেশৰ অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত ছটা ঘাই সূচকৰ ক্ষেত্ৰত পৰিপূৰ্ণতাৰ লক্ষ্য উপনিত হোৱাৰ অৰ্থে নিৰন্তৰ প্ৰয়াস চলোৱাৰ উদ্দেশ্যে আজিৰেপৰা ৩০ ছেপ্তেম্বৰলৈ তিনি মাহ জোৰা **সম্পূৰ্ণতা অভিযান** আৰম্ভ কৰা হৈছে।

৩। ঝাৰখণ্ড মুক্তিমৰ্চাৰ কাৰ্যবাহী সভাপতি হেমন্ত ছোৰেনে আজি ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে।

৪। কেন্দ্ৰীয় চৰকাৰে আজি ৰাষ্ট্ৰীয় সেউজ হাইড্ৰ'জেন মিছনৰ অধীনত পৰীক্ষণৰ সা-সুবিধা, আন্তঃগাঁথনি আৰু প্ৰতিষ্ঠানিক সহায়ৰ বাবে মন সম্পন্ন আৰু নিয়ন্ত্ৰণৰ পৰিকাঠামো বিকশাই তোলাৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। ***আৰু***

৫। প্ৰধানমন্ত্ৰীয়ে আজি নতুন দিল্লীৰ লোক কল্যাণ মাৰ্গত থকা তেওঁৰ বাসগৃহত টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত খিতাপ বিজয়ী ভাৰতীয় দলটোক আদৰণি জনায়।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে সন্ত্ৰাসবাদৰ কোনো ৰূপকে ন্যায় সংগত বুলি ক'ব পৰা নাযায়। তেওঁ কয় যে, আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে সন্ত্ৰাসবাদক আশ্ৰয় দিয়া আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপক মাফ কৰি দিয়া দেশসমূহক উদঙাই দি অকলশৰীয়া কৰিব লাগে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কাজাখস্তানৰ আস্থানাত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থা শীৰ্ষ সন্মিলনত আজি এইদৰে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, চাংহাই সহযোগিতা সংস্থাৰ মূল লক্ষ্য সন্ত্ৰাসবাদ প্ৰতিহত কৰাত অগ্ৰাধিকাৰ দিয়া উচিত। তেওঁ কয় যে, সীমান্তৰে চলোৱা সন্ত্ৰাসবাদ মষিমূৰ কৰাৰ বাবে নিৰ্ণায়ক ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী। সন্ত্ৰাসবাদৰ প্ৰসাৰৰ বাবে পুঁজি যোগান ধৰা আৰু সদস্য ভৰ্তিৰ বিৰুদ্ধে দৃঢ়তাৰে থিয় দিব ল'ব লাগে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, যুৱ প্ৰজন্মৰ মাজত মৌলবাদৰ প্ৰসাৰ ৰোধ কৰাৰ বাবে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰা উচিত। শ্ৰী মোদীয়ে কয় যে, চাংহাই সহযোগিতা সংস্থা এটা নীতি আধাৰিত সংস্থা আৰু ইয়াৰ সহমতে সদস্য ৰাষ্ট্ৰসমূহৰ দৃষ্টিভংগী পৰিচালিত কৰে। তেওঁ কয় যে, বৰ্তমান সদস্য ৰাষ্ট্ৰসমূহে বিশেষকৈ বিদেশ নীতিৰ ভেটি হিচাপে সাৰ্বভৌমত্ব, স্বতন্ত্ৰতা, ভৌগোলিক অখণ্ডতা, সমানতা, পাৰস্পৰিক লাভালাভ, অভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰা আৰু বল প্ৰয়োগ নকৰা অথবা বল প্ৰয়োগৰ ভাবুকি প্ৰদান নকৰাৰ লেখিয়া বিষয়সমূহৰ প্ৰসাৰৰ হকে পৰস্পৰৰ মাজত সহযোগিতা ৰক্ষা কৰি আহিছে। ভাৰতৰ অঞ্চলটোৰ জনসাধাৰণৰ সৈতে সভ্যতাৰ দিশৰ পৰা গভীৰ সম্পৰ্ক আছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

চাংহাই সহযোগিতাৰ বাবে মধ্য এছিয়াৰ  মধ্যভাগৰ অৱস্থিতিৰ কথা স্বীকাৰ কৰি ভাৰতে অঞ্চলটোৰ স্বাৰ্থ আৰু আকাংক্ষাৰ অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে। প্ৰধামন্ত্ৰীয়ে কয় যে, ভাৰতৰ বাবে চাংহাই সহযোগিতা সংস্থাত সহযোগিতা সদায় জনসাধাৰণ কেন্দ্ৰিক। ভাৰতে চাংহাই সহযোগিতা সংস্থাৰ অধ্যক্ষতাৰ সময়ছোৱাত আয়োজন কৰা এছ চি অ' মিলেট খাদ্য উৎসৱ, এছ চি অ' চলচ্চিত্ৰ মহোৎসৱ, এছ চি অ' সুৰজ কুণ্ড হস্তশিল্প মেলা, এছ চি অ' থিংটেংক অভিৱৰ্তন আৰু উমৈহতীয়া বৌদ্ধ ঐতিহ্য সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ লেখীয়া বিভিন্ন অনুষ্ঠানৰ কথা উল্লেখ কৰি এনে ধৰণৰ প্ৰচেষ্টাৰ বাবে ভাৰতৰ সহযোগিতাৰ কথা নিশ্চিত কৰে।

জলবায়ু পৰিৱৰ্তন সন্দৰ্ভত আলোকপ কৰি শ্ৰী মোদীয়ে কয় যে, নিৰ্গমন হ্ৰাস কৰাৰ প্ৰতিশ্ৰুতি পূৰণৰ বাবে কাম অব্যাহত আছে। এনে প্ৰয়াসৰ ভিতৰত বৈদ্যুতিন বাহনৰ প্ৰসাৰ, বিকল্প ইন্ধনৰ ব্যৱহাৰ আৰু জলবায়ু পৰিৱৰ্তন অনুকূল আন্তঃগাঁথনি নিৰ্মাণ অন্যতম। শ্ৰী মোদীয়ে তেওঁৰ বিবৃতিত কয় যে, অৰ্থনৈতিক বিকাশৰ বাবে  বিভিন্ন সমাজৰ মাজত সহযোগিতা আৰু আস্থাৰ পথ প্ৰশস্ত কৰিব পৰা শক্তিশালী যোগাযোগ ব্যৱস্থা জৰুৰী। প্ৰযুক্তিগত প্ৰগতি সন্দৰ্ভত মত প্ৰকাশ কৰি তেওঁ প্ৰযুক্তিক সৃষ্টিশীল কৰি তোলা আৰু ইয়াক কল্যাণ তথা প্ৰগতিৰ বাবে ব্যৱহাৰ কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে, ভাৰত কৃত্ৰিম বুদ্ধিমত্তা সন্দৰ্ভত ৰাষ্ট্ৰীয় নীতি যুগুতাই তোলা তথা কৃত্ৰিম বুদ্ধিমত্তা অভিযান আৰম্ভ কৰা দেশসমূহৰ ভিতৰত অন্যতম। তেওঁ কয় যে চাংহাই সহযোগিতা সংস্থাই প্ৰাচীন **বসুধৈৱ কুটুম্বকম** নীতি অনুযায়ী জনসাধাৰণক একত্ৰিক আৰু সমৃদ্ধিশালী কৰাৰ অনন্য মঞ্চ প্ৰদান কৰে। শ্ৰী মোদীয়ে ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ লুকাচেংকোক অভিনন্দন জনায় আৰু বেলাৰুছক নতুন সদস্য হিচাপে সংস্থাটোলৈ আদৰণি জনায়।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ৮ জুলাই চাৰি দিনীয়া ৰাছিয়া আৰু অষ্ট্ৰিয়া ভ্ৰমণসূচীৰে স্বদেশৰ পৰা ৰাওনা হ'ব। বিদেশ মন্ত্ৰালয়ে কৈছে যে, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ আমন্ত্ৰণ মৰ্মে ২২ সংখ্যক ভাৰত-ৰাছিয়া সন্মিলনত অংশগ্ৰহণ উদ্দেশ্যে শ্ৰী মোদী ৮ জুলাই'ত মস্কোত উপস্থিত হ'ব। দুয়োগৰাকী নেতাই সাম্প্ৰতিক আঞ্চলিক আৰু পাৰস্পৰিক স্বাৰ্থজৰিত বিভিন্ন বিষয় লৈ আলোচনা কৰিব। তাৰ পাছত প্ৰধানমন্ত্ৰী মোদী ৯ জুলাইত অষ্ট্ৰিয়ালৈ ৰাওনা হ'ব। এয়া হ'ব বিগত ৪১ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম অষ্ট্ৰিয়া ভ্ৰমণ। ভ্ৰমণকালত শ্ৰী মোদীয়ে অষ্ট্ৰিয়াৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ৱেন ডেৰ বেলেনক সাক্ষাৎ কৰি আৰু ছেঞ্চেলৰ কাৰ্ল নিহামাৰৰ সৈতে আলোচনাত মিলিত হ'ব। প্ৰধানমন্ত্ৰী আৰু ছেঞ্চেলাৰগৰাকীয়ে উভয় দেশৰ আগশাৰীৰ ব্যাৱসায়ীসকলকো সম্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে মস্কো আৰু ভিয়েনাত ভাৰতীয় সম্প্ৰদায়ৰ লোকৰ সৈতেও মত বিনিময় কৰিব।

00000000

নীতি আয়োগে সমগ্ৰ দেশৰ অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত ছটা ঘাই সূচকৰ ক্ষেত্ৰত পৰিপূৰ্ণতাৰ লক্ষ্য উপনিত হোৱাৰ অৰ্থে নিৰন্তৰ প্ৰয়াস চলোৱাৰ উদ্দেশ্যে আজিৰেপৰা ৩০ ছেপ্তেম্বৰলৈ তিনি মাহ জোৰা **সম্পূৰ্ণতা অভিযান** আৰম্ভ কৰা হৈছে।

এই অভিযানৰ জৰিয়তে অভিলাষী জিলা কাৰ্যসূচী আৰু অভিলাষী খণ্ড কাৰ্যসূচীৰ অধীনত ১১২ খন অভিলাষী জিলা আৰু ৫০০টা অভিলাষী খণ্ডৰ উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

**সম্পূৰ্ণতা অভিযান**ৰ অভিলাষী জিলাৰ কাৰ্যসূচীয়ে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু জলসম্পদ, বিত্তীয় চামিলকৰণ, দক্ষতা বিকাশ আৰু আন্তঃগাঁথনিক সামৰি লোৱাৰ বিপৰীতে অভিলাষী খণ্ড কাৰ্যসূচীয়ে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু কৃষি সম্বন্ধীয় অন্যান্য সেৱা, প্ৰাথমিক স্তৰৰ আন্তঃগাঁথনি তথা সামাজিক উন্নয়নক সামৰি লোৱা হৈছে। এই অভিযানৰ অধীনত জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায় বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

00000000

ঝাৰখণ্ড মুক্তিমৰ্চাৰ কাৰ্যবাহী সভাপতি হেমন্ত ছোৰেনে আজি ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনে ৰাজভৱনত আয়োজিত এটা অনুষ্ঠানত তেওঁক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। কলা ধন বৈধকৰণ কৰাৰ অভিযোগৰ এটা গোচৰত উচ্চ ন্যায়ালয়ে তেওঁক জামিনত মুকলি কৰাৰ পাছত তেওঁ তৃতীয়বাৰৰ বাবে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

বিধি বলৱৎকাৰী সঞ্চালকালয়ে ৩১ জানুৱাৰীত হেমন্ত ছোৰেনক গ্ৰেপ্তাৰ কৰাৰ পাছত চম্পাই ছোৰেনে ৰাজ্যখনৰ দ্বাদশ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছিল। চম্পাই ছোৰেনে মুখ্যমন্ত্ৰী হিচাপে পদত্যাগ কৰাৰ পাছত কালি ৰাজ্যপালক সাক্ষাৎ কৰি হেমন্ত চোৰেনে পুনৰ চৰকাৰ গঠন কৰাৰ দাবী উত্থাপন কৰে।

00000000

কেন্দ্ৰীয় চৰকাৰে আজি ৰাষ্ট্ৰীয় সেউজ হাইড্ৰ'জেন মিছনৰ অধীনত পৰীক্ষণৰ সা-সুবিধা, আন্তঃগাঁথনি আৰু প্ৰতিষ্ঠানিক সহায়ৰ বাবে মন সম্পন্ন আৰু নিয়ন্ত্ৰণৰ পৰিকাঠামো বিকশাই তোলাৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে কৈছে যে, এই আঁচনি ২০২৫-২৬ বিত্তিয় বৰ্ষলৈকে ২০০ কোটি টকা ব্যয়ৰে ৰূপায়ণ কৰা হ'ব। ৰাষ্ট্ৰীয় সৌৰশক্তি প্ৰতিষ্ঠানে ৰূপায়ণ কৰিব লগা এই আঁচনিয়ে উৎপাদন, প্ৰযুক্তি আৰু সেউজ হাইড্ৰ'জেনৰ মূল্য শৃংখলাৰ সুবিধাসমূহ আৰু বৰ্তমান ইয়াৰ আনুসংগিক পৰীক্ষণৰ ক্ষেত্ৰত থকা সুবিধাসমূহ বৃদ্ধি কৰাৰ বাবে সমৰ্থন কৰিব। মন্ত্ৰালয়ে জানিবলৈ দিছে যে এই আঁচনিয়ে নতুন পৰীক্ষণৰ সুবিধাসমূহ আৰু বৰ্তমানে অব্যাহত থকা সুবিধাসমূহ বৃদ্ধি কৰিব যাতে সুৰক্ষীত অভিযান নিশ্চিত কৰিব পৰা যায়। এই আঁচনিয়ে সেউজ হাইড্ৰ'জেন-দুইৰ উৎপাদনৰ সুৰক্ষা আৰু বাণিজ্যিক মানদণ্ড আৰু স্থিতিস্থাপকতা সুনিশ্চিত কৰিবলৈ পৰীক্ষণৰ সুবিধাসমূহ বিকশাই তুলিব।

আমাৰ সংবাদদাতাই জানিবলৈ দিছে যে, ১৯ হাজাৰ ৭০০ কোটি টকাৰো অধিক ব্যয়ৰ ৰাষ্ট্ৰীয় সেউজ হাইড্ৰ'জেন মিছন বিগত বৰ্ষৰ ৪ জানুৱাৰীত আৰম্ভ কৰা হৈছিল আৰু এই অভিযান ২০২৯-৩০ বিত্তিয় বৰ্ষলৈকে অব্যাহত থাকিব। ইয়াৰ উদ্দেশ্য হৈছে সেউজ শক্তিৰে আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্য সাধন কৰা আৰু গোলকীয় সেউজশক্তিৰ ক্ষেত্ৰত ভাৰতৰ উল্লেখযোগ্য অগ্ৰগতি সাধন কৰা।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ লোক কল্যাণ মাৰ্গত থকা তেওঁৰ বাসগৃহত টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত খিতাপ বিজয়ী ভাৰতীয় দলটোক আদৰণি জনায়। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয় যে, তেওঁ প্ৰতিযোগিতাত খেলুৱৈ সকলে লাভ কৰা অভিজ্ঞতাৰ কথা পাতে। এই বাৰ্তালাপ সদায় মত থাকিব বুলি প্ৰদানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক ৰোহিত শৰ্মা, প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়, বিৰাট কোহলি, হাৰ্ডিক পাণ্ডিয়া, সূৰ্যকুমাৰ যাদৱ আৰু যশপ্ৰীত বুমৰাহ এই বাৰ্তালাপত উপস্থিত থাকে। ভাৰতীয় ক্ৰিকেট দল আজি পুৱা নতুন দিল্লীত উপস্থিত হয়। তেওঁলোকক বিপুলভাৱে আদৰণি জনোৱা হয়।

০০০০০০০০

সমাপ্ত